# ফিলিপে ৰথত গৈছিল আৰু যীচুৰ বিষয়ে কৈছিল

## ল'ৰা-ছোৱালীক যীচুৰ শুভবাৰ্ত্তা কবলৈ শিকাওক

ল'ৰা ছোৱালীৰ প্ৰয়োজনত খাপ খুউৱা কামবোৰ বাচি লওক।

সুবিধা হলে, এই ছবিখন লৰা-ছোৱালীক নকল কৰিবলৈ দিয়ক।



**এটি ডাঙৰ ল'ৰা / ছোৱালী অথবা শিক্ষকক ফিলিপ** আৰু কূচ-দেশীয় নপুংসকৰ গল্পটো পাঁচনিৰ কৰ্ম্ম ৮ঃ২৬-৪০ পদ পঢ়িবলৈ দিয়ক। ৰথত থকা এজন মানুহক খ্ৰীষ্টৰ শুভবাৰ্ত্তা কবলৈ কেনেকৈ পবিত্ৰ আত্মাই ফিলিপক সহায় কৰিছিল, ইয়াত তাৰে বিবৰণ দিয়া হৈছে।

পাঁচনিৰ কৰ্ম্ম ৮ঃ২৬-৪৬ ৰ পৰা গল্পটো কোৱা পিছত তলত দিয়া প্ৰশ্নবোৰ সোধক। *(উত্তৰবোৰ প্ৰশ্নৰ পিছত দিয়া আছে।)*

- মৰুভূমিৰ বাটত যাবলৈ ফিলিপক কোনে ক'লে? *(২৬ পদ)*
- ৰথৰ উঠিবলৈ দিয়া পবিত্ৰ আত্মাৰ আজ্ঞা ফিলিপে কিমান বেগাই পালন কৰিলে? *(৩০)*
- কূচ-দেশীয় নপুংসকে কি পঢ়িছিল? *(৩০ পদ চাওক। তেওঁ যিচয়া ভাববাদীৰ বিষয়ে পঢ়িছিল, যিজন কেইবাশ বছৰৰ আগেয়ে বাস কৰিছিল, যিচয়া ৫ঃ৩)*
- আগলৈ কি হব সেই বিষয়ে শাস্ত্ৰই কাৰ বিষয়ে কৈছে? *(পাঁচনিৰ কৰ্ম্ম ৮-৩২; এইয়ে যীচুৰ বিষয়ে, যিজন কাটিবলৈ নিয়া মেৰৰ দৰে মৃত্যু হল)*
- কূচ-দেশীয় নপূংসক কিমান বেগাই ফিলিপে বাপ্তাইজিত কৰিলে? *(৩৮ পদ)*

**নাট কৰক,** ফিলিপ আৰু কূচ-দেশীয় নপূংসকৰ গল্পটোৰ একাংশ।

- প্ৰধান উপাসনা চলাওঁতাৰ লগত এই ছুটি নাটখন পৰিবেশন কৰাৰ ব্যৱস্থা কৰক। নাট প্ৰস্তুত কৰোঁতে আপোনাৰ সময় ল'ৰা-ছোৱালীৰ লগত দিয়ক।
- ডাঙৰ ল'ৰা-ছোৱালী অথবা বয়সীয়া সকলক এইবোৰ ভাও দিয়ক ঃ

**বৰ্ণনাকাৰী ঃ** ফিলিপ গল্পটো সংক্ষেপে কওক, আৰু কি কব তাক মনত পেলাবলৈ ল'ৰা-ছোৱালীক সহায় কৰক।

**ফিলিপ**



সৰু ল'ৰা-ছোৱালীক এইবোৰ ভাও দিয়ক ঃ

**কূচ-দেশীয় নপূংসক**

**ঘোৰাঁ (এটা বা দুটা)**

**মাত (ঈশ্বৰৰ আত্মাৰ মাত)**

**বৰ্ণনাকাৰী ঃ** পাঁচনিৰ কৰ্ম্ম ৮ঃ২৬-৩৫ পদৰ গল্পটোৰ ১ম অংশ কওঁক। কয় "স্বৰ্গদূতে ফিলিপক কি কৈছে শুনক।"

**মাত ঃ** "ফিলিপ, মৰুভূমিৰ বাটেৰে যোৱা। তুমি ৰথখন দেখিছানে ? তাৰ ওচৰ চাপি যোৱা।"

**ঘোঁৰা ঃ** ৰথ বুজাবলৈ দুখন চকীৰ আগত থিয় হওক। ঘোঁৰাৰ দৰে খোজ কঢ়া দেখুৱাব।

**কূচ-দেশীয় নপূংসক ঃ** (এখন চকীত বহে।) যিচয়া ৫৩ঃ৭-৮ পঢ়ক।

কওক, "মই এই কথা বুজি নাপাওঁ। এই মেৰ পোৱালী কোন ?"

**ফিলিপ ঃ** "মই ব্যাখা কৰিম।" (আন এখন চকীত বহে।)" এই প্ৰাচীন ভবিষ্যত বাণী যীচুৰ বিষয়ে যিজন আমাৰ বাবে মেৰৰ দৰে মৰিল।

**বৰ্ণনাকাৰী ঃ** গল্পটো ২য় অংশ পাঁচনিৰ কৰ্ম্ম ৮ঃ৩৬-৪০ পৰা কওক।

"নপূংসক জনে কি কয় শুনক।"

**কূচ-দেশীয় নপূংসক ঃ** "চাওক, ইয়াত পানী আছে ! মোক বাপ্তিস্ম দিয়াত কিহে বাধা দিব ?

**ফিলিপ ঃ** "আপুনি যদি আপোনাৰ আটাই অন্তৰৰে যীচুক বিশ্বাস কৰে। তেন্তে আপোনাক বাপ্তিস্ম দিয়া হব।"

**কূচ-দেশীয় নপূংসক ঃ** "ৰ'বা, ঘোৰাঁবোৰ !

**ঘোঁৰাবোৰ ঃ** ঘোঁৰাৰ চিঞৰৰ শব্দ কৰা। ঘোঁৰাই আগ ভৰি দুটা দাঙি ধৰা আৰু বতাহত হাতোঁৰাৰে আচোঁৰা বুজাওক।

**ফিলিপ ঃ** (নপুংসকৰ ওচৰৰে খোজ কঢ়া হেন দেখুৱাই বাপ্তিস্ম দিয়াৰ ভাও দেখুৱাওক। এতিয়া দৌৰি লুকাওক।)

**কূচ-দেশীয় নপূংসক ঃ** "মানুহজন ক'ত? মোক বাপ্তিস্ম দি তেওঁ নোহোৰা হ'ল !" নাটকত সহায় কৰা আটাইকে ধন্যবাদ জনাওক।

**বৰ্ণনাকাৰী বা ডাঙৰ ল'ৰা / ছোৱালী ঃ** নাটকত সহায় কৰা আটাইকে ধন্যবাদ জনাওক।

যদিহে ল'ৰা-ছোৱালীৰ নাটখন বয়সীয়া সকলৰ নিমিত্তে কৰিছে, তেনেহলে ঃ

- ওপৰৰ তালিকাত থকা প্ৰশ্নবোৰ ল'ৰা-ছোৱালীয়ে বয়সীয়া সকলক সোধক।
- এটি ডাঙৰ ল'ৰা / ছোৱালীয়ে বয়সীয়া সকলক এই কথাও সুধিব পাৰে, আন কি কি প্ৰকাৰে যীচুৰ বিষয়ে কবলৈ আমাক পবিত্ৰ আত্মাই চলায়।
- লোকবিলাকক উদাহৰণ দিবলৈ কওক

**তলত দিয়া দৰে মৰুভূমিত এটি ৰাস্তাৰ ছবি এখন আঁকক**



- ছবিখন ল'ৰা-ছোৱালীক নকল কৰিবলৈ দিয়ক আৰু সিঁহতৰ পিতৃ-মাতৃক আৰু পিছৰ উপাসনাৰ সময়ত বয়সীয়া সকলক দেখুওৱাক।
- দুটা মানুহে টনা এখন ঘোঁৰা গাড়ী আঁকিবলৈ দিয়ক।
- ডাঙৰ ল'ৰা-ছোৱালীয়ে সৰুবোৰক সহায় কৰক।

**মুখস্থ কৰক, যোহন ৩ঃ১৬**

**পদ্য ঃ যিচয়া** ৫৩ঃ৬,৭,৮ পদ তিনিটা তিনি গৰাকী ল'ৰা-ছোৱালীক আওঁৰাবলৈ দিয়ক।

কোনো কোনো ল'ৰা-ছোৱালীয়ে হয়তো ফিলিপৰ বিষয়ে পদ্য অথবা গীত লিখিব পাৰে।

**প্ৰাৰ্থনা ঃ** "হে পিতৃ, আমি আপোনাৰ আত্মাৰ অনুসৰণ কৰিব ইচ্ছা কৰোঁ যেতিয়া তেওঁ আমাক চলায়। শুভবাৰ্ত্তা শুনিবলৈ সাজু থকা লোকৰ ওচৰলৈ আমাক চলাই নিয়ক। আপোনাৰ পুত্ৰ, যীচুৰ বিষয়ে কবলৈ বাইবেলৰ গল্পবোৰ সুঁৱৰিবলৈ আমাক সহায় কৰক। আপোনাৰ আঁচৰিত কাৰ্য্যবোৰ সকলোৰে জনা আমি ইচ্ছা কৰোঁ।"

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net